## ' শাসন : ইয়াৰ গম্ভীৰ বাণিজ্য'

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

আচঁনিৰ পৰিকল্পনা, প্ৰস্তুতকৰণ আৰু কাৰ্য্যত পৰিণতকৰণ শাসনৰ অন্তৰ্ভূক্ত । ৰাজনীতি সৰল, আদৰ্শৰ ভিত্তিত প্ৰতিষ্ঠিত আৰু সততাৰে সকলোৱে জনাকৈ কাৰ্য্যত পৰিণত কৰিব পাৰিব লাগিব । গম্ভীৰ শাসনৰ ধণাত্মক প্ৰচাৰ ভাল চৰকাৰৰ সৈতে বুদ্ধিমত্ত ৰাজনীতিৰ এটি অভিন্ন অংগ । জনপ্ৰিয়তাৰ অবিহনে চৰকাৰ অৰ্থহীন ।

দিল্লীত আম আদমী পাৰ্টিয়ে নতুনকৈ গঠন কৰা চৰকাৰে এক সুবৰ্ণ সুযোগ পাইছে, সেইসকল ভোটদাতাৰ আত্মবিশ্বাস জয় কৰাৰ যিসকলে তেওঁলোকলৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে । ভোটদাতা সকলে নিজৰ পছন্দমতে ভোটদান কৰাৰ সময়ত নিষ্ঠুৰ হৈ পৰে । সেইয়া আচলতে গণতন্ত্ৰৰ সহজাত শক্তি । তেওঁলোকে চৰকাৰক ভোটদান কৰে আৰু যদি সেই চৰকাৰ অসফল হয় তেতিয়া তেওঁলোকৰ খঙ বেলেগ ফালে গতি কৰে । আম আদমী পাৰ্টি স্থায়ী শাসনৰ ব্যৱস্থাত যথেষ্ট হতভম্ব হোৱা পৰিলক্ষিত হৈছে । অসামাজিক ব্যৱস্থা স্থায়ী শাসনৰ বিকল্প নহয় ।

দিল্লীৰ সন্মুখত ২ টা প্ৰত্যাহ্বান আছে । দিল্লীৰ এটা ভাগে কোনো বিশেষ সুবিধা আনকি জীৱনৰ সুখ আৰু আনন্দময় বস্তুবোৰ একোৱেই লাভ কৰিব পৰা নাই । দিল্লীৰ আনটোফাল উচ্চাংকাক্ষাৰে ভৰা মহানগৰ । বৰ্ত্তমানৰ চৰকাৰে দুয়োটা প্ৰত্যাহ্বানতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব লাগিব । সন্মানেৰে জনপ্ৰিয় শাসন ব্যৱস্থা অবিহনে স্থায়ী শাসন অথলে যাব । দায়িত্বশীল শাসনহে দূৰলৈকে গতি কৰিব পাৰিব । সস্তীয়া জনপ্ৰিয়তাৰ জীৱন কম । সস্তীয়া জনপ্ৰিয়তাই নিজৰ সাচঁ বহুৱাই থৈ যাব নোৱাৰে । অধিক সস্তীয়া জনপ্ৰিয়তা পাছলৈ উপহাসৰ বিষয় হৈ পৰিব । বাৰে বাৰে পাই থকা সস্তীয়া জনপ্ৰিয়তাই ৰাইজৰ খঙ আৰু উপহাসহে মাতি আনিব । আম আদমী পাৰ্টিৰ চৰকাৰ এতিয়া নিজা ষ্টাইলৰেই বলি হৈ পৰিছে । অতি সোনকালে তেওঁলোকে উপলব্ধি কৰিব যে, শুদ্ধ পথত গতি কৰাৰ তেওঁলোকৰ যি সুযোগ আছিল সেইয়া তেওঁলোকে হেৰুৱাই পেলাইছে ।